আল্লাহে পৃথিৱীক নিজৰ মুঠিৰ ভিতৰত লব আৰু আকাশমণ্ডলক নিজৰ সোঁ হাতত মেৰিয়াই লৈ ক'বঃ ময়েই ৰাজাধিৰাজ। পৃথিৱীৰ শাসকসকল ক'ত?

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "আল্লাহে পৃথিৱীক নিজৰ মুঠিৰ ভিতৰত লব আৰু আকাশমণ্ডলক নিজৰ সোঁ হাতত মেৰিয়াই লৈ ক'বঃ ময়েই ৰাজাধিৰাজ। পৃথিৱীৰ শাসকসকল ক'ত?"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, ক্বিয়ামতৰ দিনা আল্লাহে পৃথিৱীক নিজৰ মুঠিত আৱদ্ধ কৰি লব, আৰু আকাশমণ্ডলক নিজৰ সোঁ হাতত এটাৰ ওপৰত এটাক ৰাখি মেৰিয়াই লব, আৰু সেইবোৰক ধ্বংস কৰি দিব। তাৰ পিছত তেওঁ ক'বঃ ময়েই ৰাজাধিৰাজ, পৃথিৱীৰ বাদশ্বাহসকল আজি ক'ত?

https://sunnah.global/hadeeth/as/show/65028